28T ADAS

# 2018

# ADVANCE ASSAMESE

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

*Contd.*

১। (ক) 'বৰ্ষা বৰ্ণন' কবিতাটিত বৰ্ষা কালৰ চিত্ৰ কি দৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

(খ) 'মানৱ-বন্দনা' কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া।

২। প্ৰসংগ-সংগতি দৰ্শাই তলৰ *যিকোনো এছোৱা* ব্যাখ্যা কৰা ঃ ১+৩=৪

(ক) ব্ৰহ্মাণ্ডত চালি-জাৰি ক'তো হ'লে পোৱা নাই
এদিনৰ কাৰণেও
সৰলতা আজি তেনেকুৱা।

(খ) ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান,
ই যে মাতৃ আদেশ, সন্তান-প্ৰাণ দিবলকে বলিদান।

৩। (ক) "প্ৰকৃতিৰ অভিনয় মানপী পুতলা
আহিল, উঠিল গ'ল
পাতি পাতি বিচিত্ৰ মেলা,
হাঁহি আৰু কান্দোনৰ
নৱ নৱ খেলা।"
— মানুহক 'প্ৰকৃতিৰ অভিনয় পুতলা' বুলি কিয় কৈছে? বুজাই লিখা।

(খ) "বিৰহ-কাতৰ মই বিৰহত মৰোঁ দেই-পুৰি"
— কৱিৰ বিৰহৰ কাৰণ বিশ্লেষণ কৰা।

(গ) অসমৰ সাহিত্য জগতত অম্বিকাগিৰী ৰায়চৌধুৰীক কি বুলি জনা যায়? সাহিত্য অকাডে
বঁটা লাভ কৰা 'তেওঁৰ কবিতা পুথিখনৰ নাম লিখা। ১+১



৪। চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) শংকৰদেৱে ৰামায়ণৰ কোনটো কাণ্ডৰ পদ-ভাঙনি কৰিছিল?

(খ) 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' — নামৰ গ্ৰন্থখনৰ লেখক কোন?

(গ) জ্যোতিপ্ৰসাদৰ জন্ম কিমান চনত হৈছিল?

৫। (ক) 'মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে।'
— কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা। ৫

*অথবা*

(খ) অসমত বিষুৱ-সংক্ৰান্তিৰ কালত পালন কৰা বিহু অনুষ্ঠানৰ সমপৰ্যায়ৰ অনুষ্ঠান ভাৰতৰ আন আন ঠাইত দেখা যায় নে, — আলোচনা কৰা। ৫

৬। 'অসমীয়া বুৰঞ্জী নিশ্চয় আহোমৰ দান।' — আলোচনা কৰা। ৩

৭। (ক) তলৰ *যিকোনো দুটাৰ* বিষয়ে চমুটোকা লিখা ঃ ২×২=৪

বাঁহী; বেদ; মিৰিজীয়ৰী; বিষ্ণুপুৰাণ।

(খ) চমু উত্তৰ দিয়া ঃ ১×৩=৩

(১) 'লেমটৌ' শব্দৰ অৰ্থ কি?

(২) 'অসমীয়া জন সাহিত্য' — নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(৩) লক্ষ্মীধৰ শৰ্মাৰ এখন গল্প পুথিৰ নাম লিখা।

৮। 'কপিলী দুখৰো চকুলো — আনন্দৰো চকুলো।' — এই উক্তিৰ আধাৰত 'কপিলীপৰীয়া সাধু' উপন্যাসৰ এটি আলোচনা আগবঢ়োৱা। ৫

৯। (ক) বসু কোন? তেওঁৰ বিষয়ে চমুকৈ লিখা। ১+৩=

(খ) *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৩×২=

তিলক গোঁসাই; সুলভ দোকানী; ৰূপাই; গোঁসাই পুখুৰী।

১০। (ক) "এই বাঘে খোৱা, এই কেইদিন অহা নাই কিয়?"

— এনেকৈ কোনে কাক কৈছিল? ১+১=

(খ) "বুকুখন পিহি দিম নেকি?"

— কোনে কাক এনেকৈ কৈছিল? ১+১=



১১। (ক) 'আমাৰ ছাৰ'ৰ প্ৰকৃত নাম কি? তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে লিখা। ৫

*অথবা*

(খ) বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ মাজত কেনে ধৰণৰ কাজিয়াৰ সূত্ৰপাত হৈছিল — লিখা। ৫

১২। (ক) "ঘটনাটো ঘটিল বুঢ়াৰ সৰু পুতেকৰ বিয়া উপলক্ষ্যে।" — ইয়াত কি ঘটনাৰ কথা কোৱা হৈছে? বুঢ়া আৰু তেওঁৰ সৰু পুতেকৰ নাম কি? ১+১+১=৩

(খ) "পৃথিৱীৰ অসুখ" — কোন শ্ৰেণীৰ গ্ৰন্থ? ১

(গ) হোমেন বৰগোহাঞিয়ে কোনখন গ্ৰন্থৰ বাবে 'অসম প্ৰকাশন পৰিষদ' বঁটা আৰু 'সাহিত্য অকাডেমি' বঁটাও লাভ কৰে। ১

১৩। (ক) চুটি গল্প আৰু সাধুকথাৰ পাৰ্থক্যৰ বিষয়ে লিখা। ৪

*অথবা*

(খ) চুটিগল্প আৰু উপন্যাসৰ পাৰ্থক্যৰ বিষয়ে চমুকৈ লিখা। ৪

১৪। তলৰ *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৩×২=

(ক) বুৰঞ্জীমূলক উপন্যাস;

(খ) বিষয়বস্তুৰ ফালৰ পৰা চুটিগল্পৰ বিভাগ;

(গ) উপন্যাসৰ চৰিত্ৰ;

(ঘ) পৰিৱেশপ্ৰধান চুটি গল্প।

১৫। (ক) সাহিত্যত অলংকাৰ কি ? ইয়াৰ প্ৰধান ভাগ কেইটা আৰু কি কি? প্ৰতিবিধৰে সূত্ৰ লি উদাহৰণ দিয়া। ২+২+২=

(খ) তলৰ *যিকোনো দুবিধ* অলংকাৰৰ সূত্ৰ লিখি উদাহৰণ দিয়া ঃ ২+২=

অতিশয়োক্তি; অনুপ্ৰাস; উপমা; যমক।

১৬। (ক) অসমীয়া চুটি গল্পৰ জনক কোন ? অসমীয়া চুটি গল্পৰ বিকাশত তেওঁৰ অৰদানৰ বি লিখা।

(খ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসবোৰৰ চমু পৰিচয় দিয়া।



(গ) চমু উত্তৰ দিয়া ঃ ১×৪=৪

(১) পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা *এখন* উপন্যাসৰ নাম লিখা।

(২) 'অপূৰ্ণ' নামৰ উপন্যাসখনৰ ৰচক কোন?

(৩) 'বাজীকৰ' — এই গল্প পুথিখনৰ গল্পকাৰজনৰ নাম কি?

(৪) ত্ৰৈলোক্যনাথ গোস্বামীৰ *এখন* গল্প পুথিৰ নাম লিখা।

———×———